# Phone call between Prime Minister Shri Narendra Modi and Her Excellency Mette Frederiksen, Prime Minister of Denmark

May 14, 2020

---

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মহামান্য মেট্টি ফ্ৰেডেৰিকছনৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

মে’ 14, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মহামান্য মেট্টি ফ্ৰেডেৰিকছনৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

দুয়োগৰাকী নেতাই ভাৰত-ডেনমাৰ্ক সম্পৰ্কক আৰু অধিক নিবিড় কৰাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে। ক’ভিডৰ পৰৱৰ্তী সময়ত দুয়োখন দেশে কিদৰে একেলগে কাম কৰিব পাৰে তাক লৈও দুয়োজনে আলোচনা কৰে।

12 মে 2020 তাৰিখে দুয়োগৰাকী বৈদেশিক মন্ত্ৰীৰ মাজত যুটীয়া আয়োগৰ বৈঠকখন সফলভাৱে সম্পন্ন হোৱাৰ কাৰণে প্ৰধানমন্ত্ৰী দুগৰাকীয়ে ইজনে আনজনক অভিনন্দন জনায়।

নেতা দুঘৰাকীয়ে স্বাস্থ্য গৱেষণা, স্বচ্ছ আৰু প্ৰদূষণমুক্ত শক্তি আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বিষয়সমূহত পাৰস্পৰিক সহযোগিতাৰ ব্যাপক সুযোগ আছে বুলি স্বীকাৰ কৰি ভাৰত আৰু ডেনমাৰ্কৰ মাজত এক শক্তিশালী কৌশলগত অংশীদাৰিত্ব গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিয়ে।

**নতুন দিল্লী**
**মে’ 14, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.